**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হৈছে।

২। ভাৰতে ইয়াৰ শক্তি-সুৰক্ষা শক্তিশালী কৰাৰ উদ্দেশ্যে মৰিছাছলৈ তেল আৰু গেছ্‌ যোগানৰ বাবে এখন চুক্তি চূড়ান্ত কৰিছে।

৩। বিশ্ব হোমিঅ'প্যাথি দিৱস আজি দেশে-বিদেশে পালন কৰা হৈছে।

৪। ছত্তিশগড়ৰ কাংকেৰ জিলাত যোৱা নিশা ৩০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত ছগৰাকী লোকৰ মৃত্যু হয়।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ্‌, ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হৈছে। দ্বিতীয় পৰ্যায়ত ১৪২ খন আসনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ কালি অন্ত পৰে। অহা ১৩ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বিজেপিৰ জ্যেষ্ঠ নেতা শুভেন্দু অধিকাৰী, তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীকে ধৰি অনান্য নেতাসকলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। অহা ২৯ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনত কালি প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আছিল। ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ১৫২ খন আসনৰ বাবে এহেজাৰ ৫৮৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উচ্চ সদনৰ প্ৰাক্তন উপ-সভাপতি হৰিবংশক ৰাজ্যসভাৰ সদস্য হিচাপে মনোনীত কৰিছে। উচ্চ সদনৰ সদস্য হৰিবংশৰ কাৰ্যকালৰ কালি সামৰণি পৰে। ৰাজ্যসভাৰ সদস্য তথা প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈৰ কাৰ্যকাল শেষ হোৱাত তেওঁৰ খালী আসনখনৰ বাবে হৰিবংশক ৰাজ্যসভাৰ সদস্য হিচাপে মনোনীত কৰা হয়। গৃহ মন্ত্ৰালয়ে আজি এই সন্দৰ্ভত জাননী জাৰি কৰিছে।

00000000

পশ্চিম এছিয়াৰ সংঘৰ্ষৰ মাজতে ভাৰতে ইয়াৰ শক্তি-সুৰক্ষা শক্তিশালী কৰাৰ উদ্দেশ্যে মৰিছাছলৈ তেল আৰু গেছ্‌ যোগানৰ বাবে এখন চুক্তি চূড়ান্ত কৰিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্‌ জয়শংকৰে প্ৰকাশ কৰিছে। ড° জয়শংকৰে মৰিছাছৰ ৰাজধানী প'ৰ্ট লুইত কয়, যে পশ্চিম এছিয়াৰ সংঘৰ্ষই বিশেষকৈ শক্তিখণ্ডত কৌশলগত অংশীদাৰিত্বৰ গুৰুত্ব বৃদ্ধি কৰিছে। তেওঁ লগতে এটা ভাৰতীয় ৰাজহুৱা উদ্যোগে দেশখনৰ প্ৰথমটো উপগুি থকা সৌৰ শক্তি প্ৰকল্প বিকশাই তুলিছে বুলি জানিবলৈ দিয়ে। তেওঁ কয়, যে ভাৰত আৰু মৰিছা ছৰ মাজত বিশুদ্ধ শক্তি আৰু পৰিৱেশ অনুকুল সমাধানৰ ক্ষেত্ৰত ব্যাপক আৰু গুৰুত্বপূৰ্ণ অংশীদাৰিত্ব আছে।

000000000

বিশ্ব হোমিঅ'প্যাথি দিৱস আজি দেশে-বিদেশে পালন কৰা হৈছে। হোমিঅ'প্যাথি বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ চিকিৎসা প্ৰণালী। এইবাৰ এই দিৱসৰ মূলমন্ত্ৰ হৈছে - **বহনক্ষম স্বাস্থ্যৰ বাবে হোমিঅ'পেথি**। স্বাস্থ্য সেৱাৰ সৰ্বাত্মক দৃষ্টিভংগী বহন কৰা হোমিঅ'প্যাথিয়ে প্ৰাকৃতিক পদ্ধতিৰ বাবে বিশ্বৰ লাখ লাখ লোকক আকৰ্ষিত কৰি আহিছে।

আয়ুষ মন্ত্ৰালয়ে আজি নতুন দিল্লীত বিশ্ব হোমিঅ'পেথি দিৱসৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই দিৱসৰ সৈতে সংগতি ৰাখি দুদিনীয়া আলোচনা সত্ৰৰো আয়োজন কৰা হৈছে। এই সত্ৰত নীতি নিৰ্মাতা, গৱেষক, চিকিৎসক আৰু অন্যান্য প্ৰতিনিধিসকলে অংশ ল'ব। তেওঁলোকে বহনক্ষম স্বাস্থ্য ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত হোমিঅ'পেথিৰ বৰ্ধিত ভূমিকা সন্দৰ্ভত আলোচনা কৰিব। কাইলৈৰ অনুষ্ঠানত হোমিঅ'পেথি খণ্ডত গুৰুত্বপূৰ্ণ গৱেষণাৰ অগ্ৰগতি, জনস্বাস্থ্য পদক্ষেপ আৰু নীতি বিকাশ আদি বিষয়ত আলোকপাত কৰা হ'ব বুলি আয়ুষ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooooooo

বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কালি ৱাশ্বিংটনত আমেৰিকাৰ নিৰাপত্তা সংস্থা এফ বি আইৰ সঞ্চালক কাশ পটেলৰ সৈতে সন্ত্ৰাসবাদ প্ৰতিৰোধ, সংগঠিত অপৰাধ আৰু মাদকদ্ৰব্যৰ বিৰুদ্ধে সহযোগিতাৰে কাম কৰাৰ বিষয়ত আলোচনাত মিলিত হয়। আমেৰিকাত থকা ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰিছে। তিনিদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যোৱা বিদেশ সচিবগৰাকীয়ে প্ৰদেশসমূহৰ সচিব মাৰ্কো ৰুবিয়কে ধৰি দেশখনৰ কেইবাগৰাকী শীৰ্ষ বিষয়াৰ সৈতে আলোচনাত মিলিত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ সৈতে যুদ্ধবিৰতিৰ বাবে সন্মতি প্ৰকাশ কৰাৰ পাছত ভাৰতৰ বিদেশ সচিবগৰাকীৰ এই ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰিছে।

শ্ৰী মিশ্ৰীয়ে ভাৰত-আমেৰিকাৰ দ্বিপাক্ষিক চুক্তিসমূহৰ সাম্প্ৰতিক স্থিতি আৰু ভৱিষ্যত পন্থা সম্পৰ্কে ৱাছিংটন ডিচিৰ আগশাৰীৰ নেতৃবৃন্দৰ সৈতে আলোচনাত মিলিত হয়। তেওঁলোকে সাম্প্ৰতিক ভূৰাজনৈতিক পৰিস্থিতি আৰু গোলকীয় শক্তি, খাদ্য তথা অৰ্থনৈতিক সুৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কেও আলোচনা কৰে। এই ভ্ৰমণে ভাৰত আৰু আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশৰে পৰ্যালোচনা কৰাৰ লগতে মূল খণ্ডসমূহত থকা সহযোগিতা বৃদ্ধি কৰাৰ বাবে সুযোগ দিছে।

ooooooooo

বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজ্যিক সচিব মাৰ্কো ৰুবিঅ'ৰ সৈতে ৱাশ্বিংটন ডিচিত এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত আমেৰিকা যুক্তৰাষ্ট্ৰত থকা ভাৰতীয় দূতাবাসৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে গুৰুত্বপূৰ্ণ খণ্ডসমূহত ঐক্যবদ্ধভাৱে কাম কৰাৰ লগতে সংহত গোলকীয় কৌশলগত অংশীদাৰিত্ব বজাই ৰাখিব।

ইয়াৰ উপৰি ভাৰতত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত ছেৰ্গিঅ' গ'ৰে কয় যে এই বৈঠকত বাণিজ্য, গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ, প্ৰতিৰক্ষা আদিকে ধৰি দ্বিপাক্ষিক সম্পৰ্ক সন্দৰ্ভত আলোচনা কৰা হয়। শ্ৰীগ'ৰে কয় যে আমেৰিকাৰ ৰাজ্যিক সচিব মাৰ্কো ৰুবিঅ'ই অহা মাহত ভাৰত ভ্ৰমণলৈ আহিব।

ooooooooo

দেশৰ যুৱ প্ৰজন্মই কোনো এটা কাম কৰিবলৈ সংকল্প ল'ব লাগে আৰু তাক কাৰ্যলৈ ৰূপান্তৰ কৰিব লাগে। সামাজিক মাধ্যমত সংস্কৃত শুভাসিতমৰ বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে এই কাৰ্যই দেশৰ যুৱ শক্তিক শক্তিশালী কৰিব আৰু ইয়ে দেশৰ উন্নয়নৰ যাত্ৰাত সহায় কৰিব।

ooooooooo

চম্পাৰণ সত্যাগ্ৰহৰ আজি ১০৭ সংখ্যক বাৰ্ষিকী। ১৯১৭ চনৰ আজিৰ দিনটোতেই বিহাৰৰ চম্পাৰণ জিলাত মহাত্মা গান্ধীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনৰ দাবীত সত্যাগ্ৰহ কৰিছিল। নীল খেতিৰ খেতিয়কসকলৰ দাবীৰ প্ৰতি সমৰ্থন জনাই মহাত্মা গান্ধীয়ে ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে এই সত্যাগ্ৰহ কৰিছিল। মহাত্মা গান্ধীয়ে নীল খেতিৰ খেতিয়কসকলক সাক্ষাৎ কৰি তেওঁলোকৰ অভিযোগসমূহ বিবেচনা কৰি অহিংসা পদ্ধতিৰে ব্ৰিটিছ চৰকাৰৰ ওচৰত তাৰ সমাধানৰ বাবে দাবী উত্থাপন কৰিছিল। এই চম্পাৰণ সত্যাগ্ৰহ কেৱল খেতিয়কসকলৰ প্ৰতি ন্যায় নিশ্চিতকৰণ প্ৰক্ৰিয়াই নাছিল, বৰং স্বাধীনতা আন্দোলনৰ এক ভেটি হিচাপে বিবেচিত হৈছিল।

০০০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীন ৰ চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা ৰ ফলাফল ঘোষণা কৰা হৈছে। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বজালীৰ পাটাছাৰকুছি শংকৰদেৱ শিশু নিকেতনৰ জ্যোতিৰ্ময় দাসে ৯৮ দশমিক ৫ শতাংশ নম্বৰেৰে ৰাজ্যৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছে। বিশ্বনাথৰ হাৰাজানৰ অম্বিকাগিৰি ৰায়চৌধুৰী জাতীয় বিদ্যালয়ৰ ছাত্ৰী আকাংক্ষা ভূঞাই দ্বিতীয় স্থান, ডিব্ৰুগড়ৰ লিটল ফ্লাৱাৰ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী জিয়া ফাৰাহ ইছলাম আৰু নলবাৰীৰ লিটল ফ্লাৱাৰ স্কুলৰ সুৰজিত আখতাৰে তৃতীয় স্থান লাভ কৰিছে।

চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী প ৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ৮৫ হাজাৰ ১৮৯ গৰাকীয়ে প্ৰথম স্থান, ১ লাখ ৫০ হাজাৰ ১৬৭ গৰাকীয়ে দ্বিতীয় স্থান আৰু ৪৬ হাজাৰ ৩৪৫ গৰাকী তৃতীয় স্থানত উত্তীৰ্ণ হৈছে। মুঠ উত্তীৰ্ণৰ হাৰ ৬৫ দশমিক ৬ – ২ শতাংশ। ছাত্ৰৰ উত্তীৰ্ণৰ হাৰ ৬৭ দশমিক ৭ – ৮ আৰু ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৬৩ দশমিক ৯ – ৬ শতাংশ। সৰ্বাধিক ৮৮ দশমিক ২ – ৩ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ডিমা হাচাও জিলা প্ৰথম স্থানত আছে। ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থানত থকা শিৱসাগৰ জিলাত উত্তীৰ্ণৰ হাৰ ৮৪ দশমিক ০ - ৮ শতাংশ আৰু ডিব্ৰুগড় জিলাত ৭৮ দশমিক ৬ – ৪ শতাংশ।

০০০০০০০০০

ছত্তিশগড়ৰ কাংকেৰ জিলাত যোৱা নিশা ৩০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত ছগৰাকী লোকৰ মৃত্যু হয়। কটোৱালি আৰক্ষী থানাৰ অধীনৰ নাথিয়া নৱগাঁৱৰ সমীপত দুখন চাৰিচকীয়া গাড়ীৰ মুখামুখি সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত তিনিগৰাকী লোকক চিকিৎসাৰ বাবে কাংকেৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আৰক্ষী আৰু উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হৈ সাহায্য আৰু উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

আনহাতে, আজি পুৱতি নিশা হাৰিয়ানাত ৪৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ থকা এখন দ্ৰুতবেগী ট্ৰাকে এখন চাৰিচকীয়া গাড়ীক মহতিয়াই নিয়াৰ ফলত দুগৰাকী লোক নিহত হোৱাৰ লগতে আন চাৰিগৰাকী আহত হয়। মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে আৰু আহতসকলক উন্নত চিকিৎসাৰ বাবে ততালিকে হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ৰাজদস্থান ৰয়েলছ্ গুৱাহাটীত অংশ লোৱা এইবাৰৰ দুয়োখন খেলতে জয়ী হৈছে। দলটো বৰ্তমানলৈকে খেলা তিনিওখন খেলত জয়লাভ কৰি পইণ্ট তালিকাৰ শীৰ্ষত আছে।

ইপিনে, যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক তিনি উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

সমাপ্ত